জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১৫০/২০২২

### ভূমিস্খলনত ক্ষতিগ্ৰস্ত হাফলঙত উপস্থিত হৈ ক্ষয়-ক্ষতিৰ বুজ ল'লে মুখ্যমন্ত্ৰী ড° শৰ্মাই

## পাহাৰীয়া জিলাখনে সন্মুখীন হোৱা দুৰ্যোগ মোকাবিলা কৰাৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে যথোপযুক্ত পুঁজিৰ যোগান ধৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৪ মে'** ঃ প্ৰবল বৃষ্টিপাত আৰু ভূমিস্খলনত ক্ষতিগ্ৰস্ত পাহাৰীয়া জিলা ডিমা হাছাওৰ সদৰ হাফলং চহৰত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰাৰ লগতে ক্ষয়-ক্ষতিৰ বুজ লয়। ভূমিস্খলনত বিধস্ত হোৱা চৰকাৰী বাগান অঞ্চলৰ এটা পথ পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীয়ে পথটোৰ দ্ৰুত মেৰামতিৰ বাবে যথোচিত ব্যৱস্থা ল'বলৈ লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে। তদুপৰি ভৱিষ্যতে ভূমিস্খলনৰ পৰা পথছোৱা সুৰক্ষিত কৰি ৰাখিবলৈ পথছোৱাৰ বিকল্প নক্সা প্ৰস্তুতৰ ব্যৱস্থা কৰিবলৈও মুখ্যমন্ত্ৰীয়ে বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে।

ভূমিস্খলনত গৃহহীন হোৱা লোকসকলে আশ্ৰয় লৈ থকা ল'ৰাৰ হাফলং উচ্চ মাধ্যমিক বিদ্যালয় আৰু প্ৰাথমিক বিদ্যালয়ত স্থাপন কৰা আশ্ৰয় শিবিৰো আজি মুখ্যমন্ত্ৰী ড° শৰ্মাই পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত তেওঁ আশ্ৰয় শিবিৰত থকা লোকসকলৰ সৈতে মত-বিনিময় কৰাৰ উপৰি তেওঁলোকলৈ আগবঢ়োৱা স্বাস্থ্যসেৱা আৰু আন সা-সুবিধাৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে আশ্ৰয় শিৰিৰত থকা পৰিয়ালসমূহক প্ৰয়োজনীয় সকলো সা-সুবিধা আগবঢ়োৱাৰ লগতে তেওঁলোকৰ বাসগৃহ নিৰ্মাণৰ ক্ষেত্ৰতো সহায় আগবঢ়াবলৈ উপায়ুক্তক নিৰ্দেশ দিয়ে। উল্লেখ্য যে, বৰ্তমান ১৪৯ গৰাকী ব্যক্তি এই শিবিৰ দুটাত আশ্ৰয় লৈ আছে।

আজিৰ এই পৰিদৰ্শনকালত মুখ্যমন্ত্ৰী ড° শৰ্মাই ভূমিস্খলনত প্ৰাণ হেৰুওৱা হকাই পাংচি জেমি গাঁৱৰ তিনিগৰাকী ব্যক্তিৰ পৰিয়ালকো সাক্ষাৎ কৰি গভীৰ সমবেদনা জনায়। এই জটিল সময়ত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা তেওঁলোকক সকলো প্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়োৱাৰো তেওঁ আশ্বাস প্ৰদান কৰে। উল্লেখযোগ্য যে ইতিমধ্যে অসম চৰকাৰৰ তৰফৰ পৰা নিহত তিনিগৰাকী ব্যক্তিৰ আত্মীয়ক চৰকাৰী নিয়ম অনুসৰি পাবলগীয়া এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই পাহাৰীয়া জিলাখনৰ সদৰত স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যাবাহী সদস্যকে ধৰি আন চৰকাৰী বিষয়ববীয়াসকলৰ উপস্থিতিত এখন বৈঠকত অংশগ্ৰহণ কৰি ভূমিস্খলনৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ পৰ্যালোচনা কৰে।

জিলাখনত যান-বাহনৰ চলাচল সম্পূৰ্ণৰূপে সুচল কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ক্ষতিগ্ৰস্ত পথসমূহ পুনৰ নিৰ্মাণত জোৰ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে পাহাৰীয়া জিলাখনে সন্মুখীন হোৱা বৰ্তমানৰ এই দুৰ্যোগ মোকাবিলা কৰাৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে যথোপযুক্ত পুঁজিৰ যোগান ধৰিব। ভৱিষ্যতে যাতে ভূমিস্খলন ৰোধ কৰিব পৰা যায় তাৰ বাবে এক স্থায়ী সমাধানসূত্ৰ উলিয়াবলৈ ৰাজ্য চৰকাৰে পদক্ষেপ অব্যাহত ৰাখিছে বুলি উল্লেখ কৰি তেওঁ কয় যে ডিমা হাছাও জিলাত নেৰানেপেৰা বৰষুণত হোৱা ভূমিস্খলনৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ বাবে অহা ২৭ মে'ত কেন্দ্ৰৰ পৰা এটা দল পাহাৰীয়া জিলাখনত উপস্থিত হ'ব।

মুখ্যমন্ত্ৰীৰ পৰিদৰ্শনৰ সময়ত উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেবলাল গাৰ্লোচা, বিধায়িকা নন্দিতা গাৰ্লোচা, পৰিষদৰ অধ্যক্ষা ৰাণু লাংথাছা, পৰিষদৰ আন কাৰ্যবাহী সদস্য তথা পৰিষদীয় সদস্য, অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, পৰিষদৰ প্ৰধান সচিব টি টি দাওলাগাপু, উপায়ুক্ত, আৰক্ষী অধীক্ষকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

সুঃদঃ / ৰীঃগঃ
২৪/০৫/২০২২